লক্ষ্মনাপ্পা হনুমন্তপ্পা জমখাণ্ডি

বনাম

ভাৰতৰ কেন্দ্ৰীয় চৰকাৰ আৰু অন্যান্য

মুখ্য ন্যায়াধীশ- মেহৰ চন্দ মহাজন,

ন্যায়াধীশ- এছ আৰ দাস, ঘূলাম হাছান, ভাগৱতী আৰু ভেংকটাৰমা আয়য়াৰ

ভাৰতৰ সংবিধান, অনুচ্ছেদ ৩১(১), ৩২, ২৬৫-সম্পত্তিৰ বঞ্চনা- কৰ আৰোপ বা সংগ্ৰহৰ বাহিৰে অন্যধৰণে -অনুচ্ছেদ ২৬৫ দ্বাৰা প্ৰদান কৰা অধিকাৰ-অনুচ্ছেদ ৩ দ্বাৰা প্ৰয়োগ কৰিব পাৰি নেকি

মত পোষণ কৰে যে যিহেতু সংবিধানৰ ২৬৫ নং অনুচ্ছেদত বিশেষভাৱে উল্লেখ কৰা হৈছে যে আইনী কৰ্তৃত্বৰ জৰিয়তেহে কৰ আৰোপ বা সংগ্ৰহ কৰিব পাৰি , গতিকে সংবিধানৰ ৩১(১) অনুচ্ছেদত কৰ আদায়ৰ বাহিৰে আন উপায়েৰে সম্পত্তিৰ বঞ্চনাৰ বিষয়ে আলোচনা কৰা হৈছে বুলি গণ্য কৰিব লাগিব৷ যিহেতু ২৬৫ নং অনুচ্ছেদত উল্লেখ কৰা অধিকাৰ সংবিধানৰ তৃতীয় খণ্ড অনুসৰি মৌলিক অধিকাৰ হিচাপে শ্ৰেণীভুক্ত নহয়, সেয়েহে ইয়াক ৩২ অনুচ্ছেদৰ জৰিয়তে বলবৎ কৰিব নোৱাৰি৷

ৰামজিলাল বনাম আয়কৰ বিষয়া , মহিন্দচৰগড় ([১৯৫১] এছ.চি.আৰ , ১২৭) অনুসৰণ কৰা হৈছে৷

সুৰজ মাল মহতা আৰু কোম্পানী বনাম এ ভি বিশ্বনাথ শাস্ত্ৰী (এ.এল.আৰ ১৯৫৪ এছ.চি.৫৪৫)ৰ উল্লেখ কৰা হৈছে।

মূল ক্ষেত্ৰাধিকাৰ: ১৯৫৪ চনৰ ৪৯২ নং আবেদন

মৌলিক অধিকাৰ বলবৎ কৰাৰ বাবে সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত আবেদন।

বি চেন, আই এন শ্ৰফ আৰু বি পি সিং- আবেদনকাৰীৰ বাবে

ভাৰতৰ এটৰ্নী জেনেৰেল – এম চি চেটালভাদ আৰু ভাৰতৰ ছলিচিটৰ জেনেৰেল চি কে ডাফটাৰী (জি এন যোশী , পি এ মেহতা আৰু পি জি গোখলেৰ সৈতে) – উত্তৰদাতাসকলৰ বাবে।

১৯৫৪ চনৰ ২১ অক্টোবৰ

আদালতৰ ৰায়দান প্ৰদান কৰে মুখ্য ন্যায়াধীশ মেহৰ চন্দ মহাজনে – ভাৰতীয় সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত দাখিল কৰা এই আবেদন সংবিধানৰ ৩১(১) আৰু ১৯(১)(চ) অনুচ্ছেদৰ অধীনত মৌলিক অধিকাৰ বলবৎ কৰাৰ বাবে আৰু লেখ জাৰি কৰিবলৈ – বিশেষকৈ মেণ্ডামছ (ৰাজহুৱা বা বিধিগত কৰ্তব্য পালন কৰিবলৈ আদেশ) আৰু/বা চেৰ্টিঅ 'ৰেৰী (নিম্ন আদালতৰ সিদ্ধান্তৰ পৰ্যালোচনা) , অন্যান্য যিকোনো প্ৰয়োজনীয় নিৰ্দেশনাৰ সৈতে। আবেদনকাৰীয়ে আদালতৰ পৰা উপযুক্ত নিৰ্দেশনা বিচাৰিছে যাতে প্ৰতিবাদীসকলে আবেদনকাৰীৰ সম্পত্তিত অবৈধভাৱে হস্তক্ষেপ কৰিব নোৱাৰে, যিটোৱে তেওঁলোকৰ মৌলিক অধিকাৰ উলংঘা কৰিব।

যি পৰিস্থিতিত এই আবেদনৰ উদ্ভৱ হৈছে: আবেদনকাৰী আৰু তেওঁৰ ভাতৃসকল toddy (তাল গছৰ পৰা বনোৱা সুৰা) আৰু সুৰা বিক্ৰীৰ ব্যৱসায়ত জড়িত আছিল। ইয়াৰ উপৰিও তেওঁলোকৰ এজনে বাছ সেৱা চলাইছিল আৰু কপাহৰ ব্যৱসায় আৰু ধন ঋণ দিয়া কামত জড়িত আছিল।ভাতৃসকলে সামূহিকভাৱে কৃষি আৰু অকৃষি দুয়োটা সম্পত্তিকে ধৰি যথেষ্ট পৰিমাণৰ মাটিৰ মালিক আছিল।১৯২৬-২৭ চনৰ মূল্যায়ন বৰ্ষৰ আগতে কৰ কৰ্তৃপক্ষই আয়কৰ মূল্যায়নৰ উদ্দেশ্যে হিন্দু অবিভক্ত পৰিয়ালৰ শ্ৰেণীৰ অধীনত ভাইসকলক একক সত্তা হিচাপে গণ্য কৰিছিল। কিন্তু ১৯২৬-২৭ চনৰ মূল্যায়ন বৰ্ষৰ পৰা ১৯৪৬ চনলৈকে তেওঁলোকৰ আয়কৰ পৃথকে পৃথকে মূল্যায়ন কৰা হৈছিল, কিয়নো দাবী কৰা হৈছিল যে তেওঁলোকে নিজৰ সম্পত্তি বিভাজন কৰা হৈছিল। ১৯৪৬ চনৰ ডিচেম্বৰ মাহত আয়কৰ বিষয়াই আয়কৰ আইনৰ ৩৪ নং ধাৰা অনুসৰি ভাইসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰে।এই কাৰ্য্যবিধি আৰম্ভ কৰা

হৈছিল কাৰণ আছিল আয়কৰ বিষয়াই বিশ্বাস কৰিছিল যে ভাতৃসকলে দাবী কৰা বিভাজনৰ তথ্য ভুল আছিল। অভিযোগ কৰা হৈছিল যে তেওঁলোকৰ মাজত প্ৰকৃততে কোনো বিভাজন হোৱা নাছিল আৰু তেওঁলোকে যৌথভাৱে ব্যৱসায় চলাই আছিল। এই আইনী ব্যৱস্থাসমূহৰ পিছত আয়কৰ বিষয়াই চাৰিও ভাতৃক একক সত্তা হিচাপে গণ্য কৰি ১৯৪২-৪৩ চনৰ বাবে ৩৪ নং ধাৰাত মূল্যায়ন চলাইছিল। ইয়াৰ উপৰিও ১৯৪২-৪৩ চনৰ দৰেই মূল্যায়ন পূৰ্বৰ আৰু পৰৱৰ্তী বছৰ অৰ্থাৎ ১৯৪০-৪১, ১৯৪১-৪২ আৰু ১৯৪৩-৪৪ চনৰ বাবে কৰা হৈছিল । ১৯৪৭ চনৰ ডিচেম্বৰ মাহত কেন্দ্ৰীয় চৰকাৰে যুদ্ধৰ সময়ত আবেদনকাৰীৰ ভাতৃদ্বয়ে যথেষ্ট লাভ কৰিছিল আৰু কৰ পৰিশোধৰ পৰা বিৰত আছিল বুলি বিশ্বাস কৰি আয়কৰ তদন্ত আয়োগলৈ তেওঁলোকৰ গোচৰটো আয়কৰ আইন , ১৯৪৭ৰ এটা নিৰ্দিষ্ট ধাৰাত প্ৰেৰণ কৰে। ১৭৫ নং উল্লেখসমূহ একক সত্তা হিচাপে গণ্য কৰা সকলো ভাতৃৰ সৈতে জড়িত আছিল , আনহাতে বাকী চাৰিটা উল্লেখ প্ৰতিজন ভাতৃৰ সৈতে পৃথকে পৃথকে জড়িত আছিল।তদন্ত আয়োগৰ সন্মুখত শুনানিৰ পিছত আয়োগে ১৯৫২ চনৰ ২৬ ছেপ্টেম্বৰত কেন্দ্ৰীয় চৰকাৰক প্ৰতিবেদন দাখিল কৰে।প্ৰতিবেদনত অনুমান কৰা হৈছিল যে ১৯৪০-৪১ চনৰ পৰা ১৯৪৮-৪৯ চনৰ ভিতৰত ১৬ ,৭৯,২০৩ টকাৰ আয়ৰ তথ্য প্ৰদান কৰা হোৱা নাছিল। তদন্ত আয়োগে দাখিল কৰা প্ৰতিবেদনৰ পিছত কেন্দ্ৰীয় চৰকাৰে আয়ৰ ওপৰত কৰ (তদন্ত আয়োগ) আইনৰ ধাৰা ৮(২)ৰ অধীনত এক নিৰ্দেশ জাৰি কৰে। এই আদেশত নিৰ্দেশ দিয়া হৈছিল যে ভাৰতীয় আয়কৰ আইন , ১৯৪০ চনৰ অতিৰিক্ত লাভ কৰ আইন , আৰু ১৯৪৭ চনৰ ব্যৱসায়িক লাভ কৰ আইন অনুসৰি মেছৰ্ছ জামখণ্ডি ব্ৰাদাৰ্ছ (আবেদনকাৰীৰ ভাতৃ)ৰ বিৰুদ্ধে একক সত্তা হিচাপে আয়কৰ মূল্যায়ন কাৰ্য্যবিধি আৰম্ভ কৰিব লাগে। এই মূল্যায়ন কাৰ্য্যবিধি আৰম্ভ কৰাৰ উদ্দেশ্য আছিল তদন্ত আয়োগে দাখিল কৰা প্ৰতিবেদন অনুসৰি পূৰ্বে মূল্যায়ন নোহোৱা আয়ৰ মূল্যায়ন বা পুনৰ মূল্যায়ন কৰা। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশত উল্লেখ কৰা নিৰ্দেশনাৰ পিছত আয়কৰ বিষয়াই মেছাৰ্ছ জামখণ্ডী ব্ৰাদাৰ্ছৰ বিৰুদ্ধে তেওঁলোকক সামূহিক সত্তা হিচাপে গণ্য কৰি আয়কৰ মূল্যায়ন কাৰ্য্যবিধি আৰম্ভ কৰে। ১৯৫৩ চনৰ ৩০ নৱেম্বৰত আয়কৰ বিষয়াই আয়কৰ আইন আৰু অতিৰিক্ত লাভ কৰ আইন দুয়োটাৰে অধীনত আবেদনকাৰীৰ কৰ দায়বদ্ধতাৰ মূল্যায়ন কৰি কেইবাটাও মূল্যায়ন আদেশ জাৰি কৰে। মূল্যায়নৰ পিছত আয়কৰ বিষয়াই নিৰ্ধাৰণ

কৰা কৰ আদায়ৰ বাবে আবেদনকাৰীৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হয়। কৰ আদায়ৰ বাবে আইনী প্ৰক্ৰিয়াৰ সময়ত বেলগাম জিলাত অৱস্থিত আবেদনকাৰীৰ সম্পত্তিসমূহ কৰ্তৃপক্ষই জব্দ কৰিছিল যাতে বাকী থকা কৰ বাবদ ধন পৰিশোধ কৰাটো নিশ্চিত হয়। কৰ আদায় প্ৰক্ৰিয়াৰ অংশ হিচাপে প্ৰায় ১২টা ভাগত বিভক্ত মাটিৰে গঠিত আবেদনকাৰীৰ এটা সম্পত্তি ৰাজহুৱা নিলামৰ জৰিয়তে বিক্ৰী কৰা হয়। এই বিক্ৰী বোম্বাই ভূমি ৰাজহ সংহিতাত উল্লেখ কৰা বিধান অনুসৰি কৰা হৈছিল। সংবিধানৰ ৩২ নং অনুচ্ছেদত উল্লেখ কৰা পদ্ধতিৰ অধীনত ১৯৫৪ চনৰ ২০ ছেপ্টেম্বৰত বৰ্তমানৰ আবেদনখন দাখিল কৰা হয়। আবেদনকাৰীয়ে হয়তো এই আৱেদন এই ভবি দাখিল কৰিছিল যে সুৰজ মাল মহতা বনাম এ ভি বিশ্বনাথ শাস্ত্ৰী আৰু আন এজনৰ গোচৰত আদালতৰ পূৰ্বৰ সিদ্ধান্ত তেওঁলোকৰ পৰিস্থিতিৰ লগত প্ৰাসংগিক হ'ব পাৰে আৰু তেওঁলোকে চূড়ান্ত মূল্যায়ন আদেশৰ বিৰুদ্ধে সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত আইনী কাৰ্য্যবিধি আগবঢ়াই সকাহ লাভ কৰিব পাৰে।আদালতত দাখিল কৰা আবেদনখনত দাবী কৰা হৈছিল যে আবেদনকাৰীৰ সম্পত্তি জব্দ আৰু বিক্ৰী কৰাটো অবৈধ আৰু এই ক্ষেত্ৰত সংবিধানৰ অনুচ্ছেদ ৩১(১) আৰু ১৯(১)(চ)ৰ অধীনত নিশ্চিত কৰা তেওঁলোকৰ মৌলিক অধিকাৰ খৰ্ব হৈছে। সংবিধান কাৰ্যকৰী হোৱাৰ পিছত আয়কৰ তদন্ত আয়োগৰ কাৰ্যকলাপসমূহ সংবিধানৰ ১৪ আৰু ২০(৩) অনুচ্ছেদ উলংঘা কৰাৰ বাবে অবৈধ বুলি দাবী কৰা হৈছিল। ইয়াৰ উপৰিও যুক্তি দিয়া হৈছিল যে, পূৰ্বৰ আদালতৰ গোচৰৰ ভিত্তিত (সুৰাজ মাল মহতা বনাম এ ভি বিশ্বনাথ শাস্ত্ৰী আৰু আন এজন) আয়কৰ তদন্ত আয়োগৰ পদ্ধতি পক্ষপাতমূলক। ৫(১) ধাৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰে কৰা উল্লেখসমূহ উপযুক্ত শ্ৰেণীবিভাজন বা গোট অনুসৰি কৰা হোৱা নাছিল বুলি দাবী কৰা হৈছিল। ১৯৪৭ চনৰ আয়ৰ ওপৰত কৰ (তদন্ত আয়োগ) আইনখনৰ ধাৰা ৮(২)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা নিৰ্দেশনাৰ ভিত্তিত লোৱা মূল্যায়নৰ সিদ্ধান্তসমূহ বাতিল কৰিবলৈ মেণ্ডামছ আৰু/বা চেৰ্টিঅ'ৰেৰী বা প্ৰয়োজনীয় বুলি বিবেচিত অন্য কোনো উপযুক্ত নিৰ্দেশনাৰ ৰূপত আদালতক লেখ জাৰি কৰিবলৈ অনুৰোধ কৰা হৈছিল । অনুৰোধ কৰা হৈছিল যে আদালতে আবেদনকাৰীৰ সম্পত্তি জব্দ , বিক্ৰী বা কোনো ধৰণে হস্তক্ষেপ কৰাত প্ৰতিবাদীসকলক নিষেধাজ্ঞা আৰোপ কৰক। পূৰ্বে দিয়া তথ্যৰ ভিত্তিত স্পষ্ট যে ১৯৪৭ চনৰ বিবাদিত আইন XXX ৰ অধীনত কৰা কাৰ্য্যসমূহ ,

বিশেষকৈ তদন্ত আয়োগৰ সৈতে জড়িত কাৰ্য্যসমূহ ১৯৫২ চনৰ ছেপ্টেম্বৰৰ ভিতৰত সম্পূৰ্ণ হৈছিল।বৰ্ণনা কৰা ঘটনাসমূহ এই আবেদন আদালতত দাখিল কৰাৰ দুবছৰৰ ভিতৰত সংঘটিত হৈছিল। আয়কৰ আইনৰ অধীনত কৰ সম্পৰ্কীয় মূল্যায়ন ১৯৫৩ চনৰ নৱেম্বৰ মাহত আবেদনকাৰীৰ বিৰুদ্ধে জাৰি কৰা হৈছিল।এই পৰিস্থিতিসমূহ বিবেচনা কৰি আমি বিশ্বাস কৰোঁ যে সংবিধানৰ ৩২ নং অনুচ্ছেদত উল্লেখ কৰা নিয়মৰ অধীনত আবেদনকাৰী কোনো প্ৰতিকাৰৰ বাবে যোগ্য নহয়। ৰামজিলাল বনাম আয়কৰ বিষয়া, মহিন্দৰগড় গোচৰত আদালতে ৰায় দিয়ে যে সংবিধানৰ ২৬৫ নং অনুচ্ছেদত এটা বিশেষ ব্যৱস্থা আছে যে আইনী কৰ্তৃত্বৰ বাহিৰে কৰ আৰোপ বা সংগ্ৰহ কৰিব নোৱাৰিব। আদালতে যুক্তি দিছিল যে সংবিধানৰ ৩১ নং অনুচ্ছেদৰ প্ৰথম দফাটোৱে কৰ আদায়ৰ বাহিৰে আন উপায়েৰে সম্পত্তি কাঢ়ি লোৱাৰ সৈতে জড়িত বুলি গণ্য কৰিব লাগিব আৰু যিহেতু ২৬৫ নং অনুচ্ছেদত প্ৰদান কৰা অধিকাৰ সংবিধানৰ মৌলিক অধিকাৰৰ ধাৰা (তৃতীয় খণ্ড)ৰ দ্বাৰা প্ৰদান কৰা অধিকাৰ নহয়, গতিকে ৩২ নং অনুচ্ছেদৰ অধীনত ইয়াক সুৰক্ষিত বা বলবৎ কৰিব নোৱাৰি।

উল্লেখিত সিদ্ধান্তত আদালতৰ ৰায় বিবেচনা কৰি এই সিদ্ধান্তত উপনীত হ'ব লাগিব যে সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত দাখিল কৰা আবেদনখন যি পৰিস্থিতিৰ দিয়া হৈছে তাত প্ৰযোজ্য বা গ্ৰহণযোগ্য নহয়। তদুপৰি পৰিস্থিতি অস্বাভাৱিক হ'লেও আদালতৰ বিবেচনাধীন অৱস্থাত থকা যিকোনো লেখ মুকলি কৰিবলৈ আদালতক নিৰ্দেশ দিয়াটো ন্যায্য বা উপযুক্ত নহ'ব। যেতিয়া এই স্থিতি আবেদনকাৰীক প্ৰতিনিধিত্ব কৰা বিজ্ঞ অধিবক্তা মিষ্টাৰ চেনৰ ওচৰত দাখিল কৰা হৈছিল , তেতিয়া তেওঁ আমাৰ দৃষ্টিত ন্যায্য আৰু শুদ্ধভাৱে স্বীকাৰ কৰিছিল যে তেওঁ এই স্থিতিৰ বিৰুদ্ধে যুক্তি দিব নোৱাৰে। পূৰ্বে দিয়া ব্যাখ্যাৰ বাবে এই আবেদন অসফল হোৱাটো অনিবাৰ্য আৰু সেয়েহে, আদালতে ইয়াক নাকচ কৰে আৰু আবেদনকাৰীয়ে ইয়াৰ লগত জড়িত খৰচ পৰিশোধ কৰিব লাগিব।

আবেদন খাৰিজ কৰা হ'ল।

অনুবাদ -

মৃণাল কুমাৰ ভট্টাচাৰ্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়